হৈ থকা কদৰ্যবোৰক উন্মোচন কৰিবলৈ। পাকিস্তানৰ লাহোৰৰ সমীপৱৰ্তী এখন গাঁৱৰ ইকবালক জন্মৰ পিছতেই নিষ্ঠুৰ পিতৃয়ে মাক আৰু আনবোৰ সন্তানৰ হাতত এৰি থৈ পলায়ন কৰিছিল। তেনেকৈ দৰিদ্ৰতাত পিষ্ট এটি পৰিয়ালত অনেক আলাই-আথানিৰ মাজেৰে চাৰি বছৰত ভৰি দিছিল ইকবালে।

ইকবাল

এটি লুণ্ঠিত শৈশৱৰ নাম

দৃষ্টিপাত | জিতুমণি পাঠক

শৈশৱে যেতিয়া অকণমান সময় উমলি-জামলি ফুৰিবলৈ হাহাকাৰ কৰি উঠে সেয়া গৌৰৱময় মানৱীয় সভ্যতাৰ ওপৰত এক লজ্জাজনক চেকা বুলি ক'ব পাৰি। ঔপনিৱেশিকতাবাদৰ কালছোৱাত তথাকথিত সভ্য সমাজে দুৰ্বল শ্ৰেণীবোৰৰ ওপৰত দাসত্বৰ যি বান্ধোন আৰোপ কৰিছিল সেয়া নিপীড়িতসকলৰ প্ৰচণ্ড প্ৰতিবাদী সত্তাৰ ওচৰত এদিন শিথিল হ'বলৈ বাধ্য হৈছিল। কিন্তু ডাৰউইনৰ 'যোগ্য-ভোগ্য-বসুন্ধৰা' মতবাদক বিকৃত কৰি 'কিছুমান লোকৰ আন কিছুমান লোকৰ সেৱা কৰিবলৈ জন্ম হৈছে' বুলি সেই সময়ত যি এক ভাবধাৰাৰ সৃষ্টি হৈছিল, সেই মানসিকতা যেন আজিও অপৰিৱৰ্তিত হৈয়েই ৰৈছে। মাথোঁ পূৰ্বৰ দৰে বৰ্তমান সময়ত এটা জাতি বা জনগোষ্ঠীক সম্পূৰ্ণৰূপে দাসত্বৰ শিকলি পিন্ধাবলৈ প্ৰয়াস নকৰি আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছে কিছুমান অবুজ, নিঠৰুৱা শিশুক। সময়ৰ লগে লগে নিজৰ ৰূপ সলোৱা এই সুবিধাবাদী চৰিত্ৰবোৰৰ হাতত পৰি আজি লুণ্ঠিত হৈছে বিশ্বৰ অগণন শিশুৰ শৈশৱৰ স্বপ্ন। যিটো বয়সত সিহঁতে স্বপ্নৰ পক্ষীৰাজ ঘোঁৰাটো চেকুৰোৱাৰ কথা হ'ব লাগিছিল সেই সময়তে সিহঁতবো সন্মুখীন হ'ব লগাত পৰিছে— জীৱনৰ তিক্ততম অভিজ্ঞতাৰ। জীৱন সিহঁতৰ বাবে হৈ পৰিছে যেন এক অন্তহীন যন্ত্ৰণাৰ উৎস। প্ৰাপ্তবয়স্ক এগৰাকী লোকেও ব'ব নোৱাৰা বোজা তুলি দিয়া হৈছে সিহঁতৰ ঠুনুকা শৰীৰবোৰত, যাৰ ভৰত পিষ্ট হৈ পৰিছে জীৱশ্ৰেষ্ঠ মানৱৰ মানৱতা। স্খলিত মানৱতাৰ এনে এটি হৃদয় বিদাৰক কাহিনীৰ নায়কেই হৈছে— ইকবাল মাছিহ। ইকবাল প্ৰকৃততে এটি শিশুৰ নাম নহয়, ই হ'ল এটি শ্ৰেণীৰ প্ৰতিভূ, যিবোৰৰ শৈশৱ বিধ্বস্ত হৈ পৰিছে মানৱীয় নিষ্ঠুৰতাত।

ইকবাল মাছিহৰ জন্মই যেন হৈছিল সুন্দৰ পোছাকৰ আঁৰত মানৱ হৃদয়ত স্তূপীকৃত হৈ থকা কদৰ্যবোৰক উন্মোচন কৰিবলৈ। পাকিস্তানৰ লাহোৰৰ সমীপৱৰ্তী এখন গাঁৱৰ ইকবালক জন্মৰ পিছতেই নিষ্ঠুৰ পিতৃয়ে মাক আৰু আনবোৰ সন্তানৰ হাতত এৰি থৈ পলায়ন কৰিছিল। তেনেকৈ দৰিদ্ৰতাত পিষ্ট এটি পৰিয়ালত অনেক আলাই-আথানিৰ মাজেৰে চাৰি বছৰত ভৰি দিছিল ইকবালে। জীৱনৰ ঘাত-প্ৰতিঘাত সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ ইকবালে তেতিয়া জনাটো সম্ভৱ নাছিল যে তাৰ ভৱিষ্যতক লৈ নিয়তিয়ে কি ভয়াৱহ পৰিকল্পনা ৰচনা কৰিছে। ইকবালৰ বয়স যেতিয়া চাৰি, সেই সময়তে ইকবালৰ এগৰাকী ভাতৃয়ে বিবাহপাশত আৱদ্ধ হয়। দৰিদ্ৰ পৰিয়ালটিয়ে বিবাহৰ সামান্য আনুষ্ঠানিকতা পালন কৰিবলৈ যি ধনৰ প্ৰয়োজন হৈছিল তাৰ বাবে তেওঁলোক শৰণাপন্ন হ'বলৈ বাধ্য হৈছিল এগৰাকী স্থানীয় ব্যৱসায়ীৰ। সেই স্থানীয় ব্যৱসায়ীৰ আছিল এটি কাৰ্পেট তৈয়াৰ কৰা কাৰখানা। ইকবালক এবাৰো নোসোধাকৈ বা তাৰ হৃদয়ৰ আকাংক্ষাৰ কথা অকণো জানিবলৈ প্ৰয়াস নকৰাকৈয়ে মাত্ৰ ৬০০ টকাৰ বিনিময়ত সামান্য স্ফূৰ্তিৰ অজুহাত লৈ তাক অৰ্পণ কৰা হৈছিল সেই কাৰ্পেট ব্যৱসায়ীগৰাকীৰ হাতত। এটি অবুজ মুক্ত বিহংগক নিক্ষেপ কৰা হৈছিল জীৱনৰ অন্ধকাৰ কুঠৰীলৈ।

ককায়েকৰ বিয়াৰ ঋণ পৰিশোধ কৰিবলৈ চাৰি বছৰ বয়সতে ইকবাল পৰিণত হৈছিল এটি বন্ধা শ্ৰমিকত। চুক্তি হৈছিল— যেতিয়ালৈ ইকবালে তাৰ কামৰ জৰিয়তে সেই ঋণ পৰিশোধ কৰিব নোৱাৰিব, তেতিয়ালৈ সি কাৰ্পেট ব্যৱসায়ীগৰাকীৰ কবলৰ পৰা মুক্ত হ'ব নোৱাৰিব। যিহেতু ইকবাল কাৰ্পেট নিৰ্মাণৰ দক্ষ শ্ৰমিক নহয় গতিকে প্ৰথম বছৰ সি তাত বিনা দৰমহাৰে শিকাৰু হিচাপেহে থাকিব লাগিব। এই সময়ছোৱাত তাৰ খোৱা-বোৱাৰ নামত বা সি ব্যৱহাৰ কৰা সামগ্ৰীবোৰৰ নামত যিমান ব্যয় হ'ব সেয়া যোগ হ'বগৈ মূল ঋণটোত। তদুপৰি সি যদি কিবা ভুলো কৰে তেন্তে তাক জৰিমনা বিহা হ'ব টকাৰে আৰু সেয়াও যোগ হ'বগৈ মূল ঋণটোত। মূঠৰ ওপৰত ইকবালৰ মূৰৰ ওপৰৰ পৰা যেন দাসত্বৰ ক'লা ছায়া কোনোপধ্যেই আঁতৰি যাব নোৱাৰে তাৰ সম্পূৰ্ণ বন্দৱস্ত কৰিয়েই ব্যৱসায়ীগৰাকীয়ে তাৰ পৰিয়ালৰ হাতত গুঁজি দিছিল ছশ টকাৰ ঋণ। এই সামান্য ধনৰ বিনিময়ত মুক্ত বিহংগৰ দৰে লৰি ফুৰা এটি ফুলকুমলীয়া শিশুৰ স্বাধীনতাই শেষ নিশ্বাস ত্যাগ কৰিছিল এটা বন্ধ কোঠাৰ ভিতৰত।

ইকবালে কাৰ্পেট নিৰ্মাণ কৰা সেই কাৰখানাটোৰ বন্ধ কুঠৰীটোত লগ পাইছিল তাৰেই সমবয়সী আন কেইবাটি শিশুক। সকলোবোৰৰ চকু-মুখে যেন তাক চিঞৰি কৈছিল জীৱন কিমান নিষ্ঠুৰ, জীৱন কিমান ভয়াবহ। জানিবলৈ আগ্ৰহ হৈছিল সি কোননো। কিন্তু সেয়া সোধাৰ সাহস সিহঁতৰ কাৰো নাছিল, কাৰণ মালিকৰ কাঢ়া নিৰ্দেশ— কামৰ সময়ত যাতে কোনোধৰণৰ কথা-বতৰা পতা নহয়। কথা-বতৰাই কামত আউল লগাই কাৰ্পেট নষ্ট কৰাত শংকাত ভোগা সেই নিষ্ঠুৰ মালিক পক্ষৰ কিন্তু ভাবিবলৈ আহৰি নাছিল যে কিদৰে দীঘলীয়াকৈ শাৰী পাতি সন্মুখলৈ হাউলি কাঠৰ বেঞ্চখনত সিহঁতৰ কোমল হাতবোৰে কাৰোবালৈ গুথি গৈছিল ফুলাম দলিচা। সিহঁতৰ কোমলতাকণক শোষণ কৰি দলিচাবোৰ যেন হৈ পৰিছিল আৰু অধিক কোমল। সেই দীঘলীয়া শাৰীটোত থিয় দিছিল ইকবালো। সেই সৰু সৰু শ্ৰমিকবোৰৰ হয়তো তেওঁলোকৰ মুনাফাৰ লালসাত আউল লাগি গৈছে বহুবোৰ ফুলকুমলীয়া স্বপ্ন।

মূৰৰ ওপৰত দুটি নিস্তেজ বাল্বৰ পোহৰলৈ সপ্তাহত ছদিন আৰু দৈনিক ১৪ ঘণ্টাকৈ কঠোৰ পৰিশ্ৰমৰ আৰম্ভ হৈছিল ইকবাল নামৰ চাৰি বছৰীয়া শিশুটিৰ জীৱনৰ নতুন পৰিক্ৰমা। এই সময়ছোৱাত সিহঁতৰ দিবা-স্বপ্ন দেখাৰ অধিকাৰ নাছিল। নাছিল মৰমৰ ঘৰখনলৈ মনত পেলাই এবাৰ উচুপি উঠাৰ অধিকাৰ। শাৰীৰিক অসুস্থতাক গণ্য কৰা হৈছিল কামৰ পৰা ফাঁকি মৰাৰ ফন্দি। আৰু তাৰ বাবে শাস্তিও নিৰ্দিষ্ট কৰি থোৱা হৈছিল। কেতিয়াবা সিহঁতবোৰক বেতেৰে অতি নিষ্ঠুৰভাৱে প্ৰহাৰ কৰা হৈছিল। কেতিয়াবা আকৌ কোমল হাত-ভৰিবোৰত শিকলি লগাই বান্ধি থোৱা হৈছিল পশুৰ দৰে। এনে নিষ্ঠুৰতাৰ পৰা পলাবলৈ প্ৰয়াস কৰা কোনোবাই আকৌ ঘণ্টাৰ পিছত ঘণ্টা কোনো অন্ধকাৰ ৰুমত চৰম আতংকগ্ৰস্ততাৰ মাজেৰে দীৰ্ঘসময় বন্দী হৈ থাকিব লগাত পৰিছিল। ভাবিবলৈও টান লাগে যে কিদৰে নিষ্ঠুৰ মালিক পক্ষই এই কোমল বয়সীয়া শিশুবোৰক ভৰি দুখনত বান্ধি ওলটাকৈ ঘৰৰ ভিতৰত ওলোমাই ৰাখিছিল! কিন্তু ভাবিবলৈ টান লগা সেই সকলোবোৰ শাস্তিৰ সন্মুখীন হ'ব লগাত পৰিছিল ইকবাল আৰু তাৰ কোমল বয়সীয়া বন্ধুবোৰে।

যন্ত্ৰণাৰ কাৰাগাৰত এইদৰে দুঃসহ জীৱনেৰে ছটা বছৰ অতিবাহিত কৰা ইকবালে হঠাতে এদিন Bonded Labour Liberation Front (BLLF) নামৰ সংস্থা এটিৰ সান্নিধ্যলৈ আহে। এইদৰে বন্ধা শ্ৰমিকসকলৰ মুক্তিৰ বাবে BLLF -এ যি সংগ্ৰাম আৰম্ভ কৰিছিল সেই বিষয়ে জানিবলৈ পাই ইকবালৰ মনত মুক্তিৰ আকাংক্ষা তীব্ৰ হৈ উঠিল। BLLF -ৰ সভাবোৰত উপস্থিত থাকিবলৈ ইকবালে কাম শেষ হোৱাৰ লগে লগে কৰ্মস্থানৰ পৰা পলায়ন কৰিছিল। তাতেই সি জানিব পৰিছিল এইদৰে ধনৰ বিনিময়ত কাৰোবাক জোৰকৈ কামত খটুৱাটো পাকিস্তান চৰকাৰে নিষিদ্ধ কৰিছে। ইকবালৰ মনত এইবাৰ কেৱল নিজক মুক্ত কৰাই নহয়, তাৰ বন্ধুবোৰকো সেই কষ্টকৰ জীৱনৰ পৰা মুক্ত কৰাৰ আকাংক্ষা জাগ্ৰত হ'ল। BLLF -ৰ প্ৰেছিডেণ্ট এছহান উল্লাহ খানে এই ক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা আগবঢ়ালে। আৰু অৱশেষত এদিন সেই আকাংক্ষিত দিনটো সিহঁতৰ সন্মুখত আহি পৰিল। মুক্তিৰ।

ছবছৰ ধৰি চলা শাৰীৰিক-মানসিক উৎপীড়নে ইতিমধ্যে কোঙা কৰি পেলাইছিল ইকবালক। বয়স হিচাপে তাৰ শাৰীৰিক বৰ্দ্ধন আছিল বিসংগতিপূৰ্ণ। ১০ বছৰ বয়সতো তাৰ ওজন আছিল মাত্ৰ ২৭ কেজি। এই বয়সতে তাৰ শৰীৰ বৰ্দ্ধন সম্পূৰ্ণৰূপে বন্ধ হৈ গৈছিল যাক চিকিৎসকে বৰ্ণনা কৰিছিল 'Psychological dwarfism' -বুলি। অবৰ্ণনীয় শাৰীৰিক কষ্টই সমস্ত দেহতে সৃষ্টি কৰিছিল অসহ্য পীড়াৰ। তথাপি তেনে এক অৱস্থাতো ইকবালে দেখুৱাইছিল নিজৰ দৃঢ় মানসিক স্থিতি। সংকল্প লৈছিল আজীৱন BLLF -ৰ হৈ কাম কৰি যোৱাৰ। তাৰ দৰে অসংখ্য পীড়িতক মুক্তিৰ সপোন দেখুওৱাৰ। প্ৰথমে প্ৰথমে মাত্ৰ BLLF -ৰ সভাবোৰত সিহঁতৰ অধিকাৰৰ বিষয়ে ক'বলৈ আৰম্ভ কৰা ইকবালে লাহে লাহে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মী তথা সাংবাদিকসকলৰ লগতো ভাব-বিনিময় কৰিবলৈ ধৰে। পাকিস্তানৰ য'তেই এনেদৰে বন্ধা শিশু শ্ৰমিকবোৰৰ কথা জানিবলৈ পাৰিছিল তালৈয়ে সি ল'ৰি গৈ সিহঁতৰ অৱস্থাৰ বুজ লৈছিল, সিহঁতৰ অধিকাৰৰ বিষয়ে অৱগত কৰাইছিল। কম সময়ৰ ভিতৰতে ইকবাল হৈ পৰিছিল এটি চৰ্চিত নাম, মুক্তিৰ এধানি আশা। ইকবালৰ এই প্ৰশংসনীয় কৰ্মৰ বাবে আমেৰিকা যুক্তৰাজ্যই প্ৰদান কৰিছিল 'Reebok Human Rights Award' - ইকবালৰ এই বৰ্দ্ধিত জনপ্ৰিয়তাই যিদৰে এচামক উৎফুল্লিত কৰিছিল সেইদৰে আন এচাম হৈ পৰিছিল আতংকিত। নিজৰ সান্দহ খোৱা বালি তল যোৱাৰ আশংকাতে চাগে সেই সময়ত মাথোঁ ১২ বছৰ বয়সত ভৰি দিয়া এটি শিশুৰ বিৰুদ্ধে আৰম্ভ হ'ল এটি অতি ঘৃণনীয় ষড়যন্ত্ৰ। ১৯৯৫ চনৰ এপ্ৰিল মাহৰ ১৬ তাৰিখৰ দিনা ইকবাল গৈছিল তাৰ খুৰাকৰ ঘৰলৈ ফুৰিবলৈ। সম্বন্ধীয় ভাতৃকেইজনৰ সৈতে বাহিৰলৈ ফুৰিবলৈ যোৱাৰ মুহূৰ্ততে কোনো অচিনাক্ত বন্দুকধাৰীয়ে গুলীৰে থকা-সৰকা কৰি দিলে ইকবালৰ শৰীৰ। জন্ম মুহূৰ্তৰেপৰা যন্ত্ৰণাক সংগী কৰি লোৱা ইকবালে মানৱৰ মানৱীয়তাক তীব্ৰ বিদ্ৰূপ কৰি অতি যন্ত্ৰণাৰে এই পৃথিৱীৰ পৰা বিদায় মাগিলে। ইকবালৰ শৰীৰটোৰ সৈতে পৃথিৱীৰ ইতিহাসত পুনৰবাৰ ভূ-লুণ্ঠিত হ'ল মানৱৰ মানৱীয়তা।

ইকবাল আজি যেন এক নিৰ্বাপিত আশাৰ নাম। ইকবালৰ বলিদানেও অকণো সলনি নকৰা শোষণ-নিপীড়নৰ সেই প্ৰেক্ষাপট। আজিও বহু ইকবালে হয়তো কোনোবা ফেক্টৰীত, চাহৰ দোকানত নতুবা সুদৃশ্য অট্টালিকাৰ শীত-তাপ নিয়ন্ত্ৰিত কোঠাত ব্যতিত কৰিছে যন্ত্ৰণাৰ ক্ষণ। নিজৰ সন্তানৰ গাত আঁচোৰৰ দাগ দেখি যন্ত্ৰণাত হৃদয় মুচৰি যোৱাবোৰেই দগ্ধ কৰিছে সিহঁতৰ হাত-ভৰি, শৰীৰত আঁকি দিছে ব্লেডৰ দাগ। শীত-তাপ নিয়ন্ত্ৰিত গাড়ীৰ পৰা ওলালেই গৰমত ছাটি-ফুটি মৰাবোৰেই এই ইকবালহঁতৰ শৰীৰত চলাইছে গৰম ইস্ত্ৰি। ক্ষুধাত কাতৰ হৈ দুখন বিস্কুট চুৰ কৰাৰ অপৰাধতে ৰাজপথত, সকলোৰে সন্মুখত কোবাই কোবাই মাৰি পেলোৱা হৈছে সিহঁতক। ইকবালৰ স্বপ্নৰ 'মুক্ত পৃথিৱী'খন আজিও ইহঁতৰ পৰা বহু দূৰৈত।

লেখকৰ ফোন ৯৮৫৪০১৮১১৭